প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

# ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি আৰু ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনত ১০,১৪,২৮৭ গৰাকী হিতাধিকাৰীলৈ ৯১.২২ কোটিতকৈ অধিক টকাৰ পেন্সন মুকলি

**গুৱাহাটী ১১ নৱেম্বৰ ঃ** অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ মাৰ্গদৰ্শনত ৰাজ্য চৰকাৰে নিজা পুঁজিৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অধীনত ৰাজ্যৰ বিধৱাসকলৰ বাবে যোৱা এপ্ৰিল মাহত সাৰ্বজনীনভাৱে আৰম্ভ কৰা ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনিৰ অধীনত এতিয়ালৈ ১,৬৭,১৯৬ গৰাকী হিতাধিকাৰী লাভান্বিত হৈছে। এই আঁচনিৰ অধীনত চলিত সপ্তাহত ৫৫৬.৭৪০ লাখ টকাৰ পেন্সন মুকলি কৰি দিয়া হয়।

আনহাতে ৰাষ্ট্ৰীয় সামাজিক সাহায্য আঁচনিৰ অধীনৰ বৃদ্ধ পেন্সনৰ ৭,০০২৬৮ গৰাকী হিতাধিকাৰীলৈ ৭১৫১.৭২৩ লাখ টকা, বিধৱা পেন্সন আঁচনিৰ অধীনত ১,১২,০০০ গৰাকী হিতাধিকাৰীলৈ ১০৯৯.৬২৩ লাখ টকা আৰু বিশেষভাৱে সক্ষম লোকৰ বাবে থকা পেন্সনৰ অধীনৰ ৩৪,৮২৩ গৰাকী হিতাধিকাৰীলৈ ৩১৪.২২ লাখ টকাৰ পেন্সন মুকলি কৰি দিয়া হয়। এনেদৰে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেৰ তৎপৰতাত গ্ৰামোন্নয়ন বিভাগৰ অধীনৰ ১০,১৪,২৮৭ গৰাকী হিতাধিকাৰীলৈ চলিত সপ্তাহত মুঠ ৯১.২২ কোটিকৈও অধিক টকাৰ পেন্সন পোনপটীয়াকৈ হিতাধিকাৰীৰ একাউণ্টত প্ৰদান কৰা হৈছে।

উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে নিজা পুঁজিৰে আৰম্ভ কৰা ওপৰত উল্লেখিত সাৰ্বজনীন বিধৱা পেন্সন আঁচনিখনৰ জৰিয়তে অন্য কোনো চৰকাৰী আঁচনিৰ অধীনত পেন্সন লাভ নকৰা ১৮ ৰ পৰা ৫৯ বছৰ বয়সৰ বিধৱাসকলক প্ৰতিমাহে ৩০০ টকাকৈ পেন্সন প্ৰদান কৰা হয়। কোভিড-১৯ মহামাৰীৰ ফলত সৃষ্টি হোৱা প্ৰতিকূল পৰিস্থিতিৰ জোৰা মাৰিবলৈ নগৰ-গাঁও অঞ্চলকে ধৰি সমগ্ৰ ৰাজ্যখনত থকা এনে ১,৪৩,৩১৮ গৰাকী হিতাধিকাৰীক একেলগে চাৰিমাহৰ পেন্সন প্ৰদানেৰে এই আঁচনিখন শুভাৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত পেন্সন লাভ কৰিবৰ বাবে বাকী থকা যোগ্য বিধৱাসকলকো আগবাঢ়ি আহিবলৈ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী নৱ কুমাৰ দলেয়ে আহ্বান জনাইছে।

*এম আৰ ডি/১১-১১-২০২০*